# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-07-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***
### Headlines
**-------------------**

১। উৰিয়ামঘাটৰ এক নম্বৰ আৰু দুই নম্বৰ পিঠাঘাট অঞ্চলত আজি পুনৰ উচ্ছেদ অভিযান।

২। বৰাক উপত্যকাৰ পৰিবহণ ব্যৱস্থা উন্নত কৰাৰ বাবে সাংসদ পৰিমল শুক্লবৈদ্যৰ লোকসভাত দাবী উত্থাপন।

৩। ওদালবাক্ৰাত সংঘটিত পথ দুৰ্ঘটনাত ছামিউল হক নামৰ ছাত্ৰজনৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত অভিনেত্ৰী নন্দিনী কাশ্যপক আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ।

৪। তেজপুৰ বিশ্ববিদ্যালয়ৰ গৱেষকৰ স্মাৰ্টফোনৰ সহায়ত পৰিচালনা কৰিব পৰা সুলভ মূল্যৰ যক্ষ্মা ৰোগ নিৰ্ধাৰণৰ যন্ত্ৰ উদ্ভাৱন। ***আৰু***

৫। এলভিছ্ আলী হাজৰিকা ইংলিচ চেনেল দুবাৰকৈ সফলতাৰে সাঁতুৰি পাৰ হোৱা প্ৰথমগৰাকী অসমীয়াৰূপে পৰিগণিত।

ooooo

অসম নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত বন বিভাগ আৰু প্ৰশাসনে আজি দ্বিতীয় দিনাও উচ্ছেদ অভিযান চলায়। আজিৰ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয় বুলি গোলাঘাটৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

আজি অঞ্চলটোৰ এক নম্বৰ আৰু ২ নম্বৰ পিঠাঘাটৰ ২০০ টা বাসগৃহ উচ্ছেদ কৰা হয়। ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱৰ নেতৃত্বত সম্পন্ন হোৱা এই অভিযানত জিলা আয়ুক্ত, গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৮০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে উৰিয়ামঘাটত উচ্ছেদিত অঞ্চলৰ ৭৩টা পৰিয়াললৈ সকাহ দি সংশ্লিষ্ট অঞ্চলত ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ দিছে। এই অভিযান সন্দৰ্ভত ৭৫ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে কালি এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে। আজি প্ৰধান মুখ্য বন সংৰক্ষকগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই উচ্ছেদ অভিযান সংৰক্ষিত বনাঞ্চলক অবৈধ দখলমুক্ত কৰাৰ দিশত ৰাজ্য চৰকাৰৰ উল্লেখনীয় পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

**বাইট ঃ এম কে যাদৱ**

০০০০০

শিলচৰৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্যই বৰাক উপত্যকাৰ পৰিবহন ব্যৱস্থাক অধিক উন্নত কৰাৰ বাবে দাবী জনাইছে। সাংসদগৰাকীয়ে আজি লোকসভাত অসামৰিক বিমান পৰিবহন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি শিলচৰ আৰু নতুন দিল্লীৰ মাজত পোনপপটীয়া বিমান সেৱা আৰম্ভ কৰিবলৈ দাবী উত্থাপন কৰে। তেওঁ কয় যে শিলচৰ অসমৰ বাবেই নহয় বৰং মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়কে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ বাবেও যোগাযোগৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ কেন্দ্ৰ। প্ৰতিদিনে  শিলচৰৰ  পৰা দিল্লী আৰু দেশৰ অন্য প্ৰান্তলৈ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী, ৰোগী, কৰ্মচাৰী আৰু ব্যৱসায়ীয়ে যাত্ৰা কৰে বুলি সাংসদগৰাকীয়ে দাবী কৰে। তেওঁ কয় যে শিলচৰ আৰু নতুন দিল্লীৰ মাজত পোনপটীয়া বিমান যাত্ৰা আৰম্ভ কৰিলে আঞ্চলিক যোগাযোগ অধিক শক্তিশালী হ'ব, যাত্ৰাৰ সময়ত হ্ৰাস পাব আৰু  জনসাধাৰণৰ সুবিধা বৃদ্ধি হ'ব। উড়ান প্ৰকল্পৰ লক্ষ্য পূৰণৰ ক্ষেত্ৰতো এই সেৱাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

**ৰাইট**

০০০০০

মণিপুৰত ১৩ আগষ্টৰ পৰা প্ৰযোজ্য হোৱাকৈ ছমাহৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন পুনৰ বৃদ্ধি কৰা প্ৰস্তাৱ সন্দৰ্ভত আজি লোকসভাত  আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে যোৱা ১৩ ফেব্ৰুৱাৰীত মণিপুৰত বলবৎ কৰা ৰাষ্ট্ৰপতিৰ শাসনৰ  ম্যাদ বৃদ্ধিৰ প্ৰতি সদনৰ অনুমোদন বিচাৰে আজি এই প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটো সন্দৰ্ভত হোৱা আলোচনাত ভাগ লৈ কংগ্ৰেছৰ এণ্ট' এণ্টনীয়ে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ বিষয়টো উত্থাপন কৰে আৰু ৰাজ্যখনত শাসন ব্যৱস্থা সম্পূৰ্ণৰূপে  ধ্বংস হোৱা বুলি অভিযোগ তোলে। সমাজবাদী পাৰ্টীৰ লালজী বাৰ্মাই ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ পাছতো ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰাই অনাত কেন্দ্ৰীয় চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপন কৰে।

০০০০০

গুৱাহাটীৰ ওদালবাক্ৰাত যোৱা ২৫ জুলাইত সংঘটিত পথ দুৰ্ঘটনাত আহত ছামিউল হক নামৰ ছাত্ৰজনৰ কালি মৃত্যু হোৱা ঘটনা সন্দৰ্ভত অভিনেত্ৰী নন্দিনী কাশ্যপক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। তেওঁক আজি বিয়লি গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। অসম আৰক্ষীয়ে তেওঁক ৫ দিনৰ জিম্মাত বিচাৰিছে। এই বাতৰি লিখাৰ পৰলৈকে তেওঁক কিমান দিনৰ আৰক্ষীৰ জিম্মাত প্ৰেৰণ কৰা হৈছে সেই বিষয়ে জানিব পৰা হোৱা নাই।

ইয়াৰ আগতে আজি পাণবজাৰত অনুষ্ঠিত এখন সংবাদমেলত উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই অভিযুক্ত অভিনেত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰাৰ কথা আনুষ্ঠানিকভাৱে সদৰি কৰে। তেওঁ পথ দুৰ্ঘটনাটোৰ সন্দৰ্ভত দিছপুৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১১৫(২)/১২৫(বি) আৰু ২৮১ ধাৰাত এটা গোচৰ ৰুজু কৰা হৈছিল বুলি জানিবলৈ দিয়ে। এই গোচৰৰ ধাৰাসমূহ জামিনযোগ্য আছিল যদিও পৰৱৰ্তী সময়ত ছাত্ৰগৰাকীৰ মৃত্যুৰ পাছত আদালতৰ অনুমতি সাপেক্ষে ভাৰতীয় ন্যায় সংহিতাৰ জামিনবিহীন ১০৫ নম্বৰ ধাৰাটো গোচৰত সন্নিবিষ্ট কৰা হয়। সেই অনুসৰি অভিনেত্ৰীগৰাকীক আদালতত হাজিৰ কৰোৱা হয়।

**ৰাইট**

০০০০০

দেশৰ স্বাস্থ্য খণ্ডলৈ আশাব্যঞ্জক বতৰা কঢ়িয়াই তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ গৱেষকৰ এটা দলে স্মাৰ্টফোনৰ সহায়ত পৰিচালনা কৰিব পৰা সুলভ মূল্যৰ এটা যক্ষ্মা ৰোগ নিৰ্ধাৰণৰ যন্ত্ৰ উদ্ভাৱন কৰিছে। অধ্যাপক পবিত্ৰ নাথৰ নেতৃত্বত পৰিচালিত গৱেষণাটোত বিকাশ সাধন হোৱা সহজে বহনীয় এই যন্ত্ৰটো পৰিচালনাৰ বাবে কোনো ৰাসায়নিক পদাৰ্থৰ প্ৰয়োজন নহয়। যক্ষ্মা ৰোগৰ জীৱাণুৰ স্বাভাৱিক উজ্বলতাক ব্যৱহাৰ কৰি এই যন্ত্ৰটোৱে ৰোগ নিৰ্ণয় কৰে। ৩০০ গ্ৰামতকৈও কম ওজনৰ এই উদ্ভাৱনৰ মূল্য ২৫ হাজাৰ টকাতকৈও কম হোৱা হেতু পূৰ্বৰ যক্ষ্মা ৰোগ নিৰ্ণায়ক যন্ত্ৰবিলাকতকৈ ইয়াৰ ব্যৱহাৰিক সুবিধা বেছি হ'ব বুলি গৱেষকসকলে আশা প্ৰকাশ কৰিছে। আমাৰ দেশত এতিয়াও এটা গুৰুত্বপূৰ্ণ জনস্বাস্থ্য সমস্যাৰূপে পৰিগণিত এই ৰোগটোৰ আগতীয়া আৰু সঠিক নিৰ্ণয়েহে ইয়াৰ সংক্ৰমণ ৰোধ কৰে। এইক্ষেত্ৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ এই উদ্ভাৱনে পৰীক্ষাৰ ব্যয়বহুলতা আৰু প্ৰশিক্ষিত কৰ্মীৰ অভাৱৰ দৰে সমস্যাসমূহৰ সমাধান কৰিব বুলি অধ্যাপক নাথে আশা ব্যক্ত কৰে। বিপ্ৰব ছেত্ৰী, ছুনুৰঞ্জন দত্ত, ড০ জে পি শইকীয়া, শান্তনু গোস্বামী আৰু অভিজিৎ গগৈয়ে এই গৱেষণাটোত পবিত্ৰ নাথৰ সৈতে অংশগ্ৰহণ কৰিছে।

০০০০০

শিক্ষাৰ্থীসকলৰ সামগ্ৰিক বিকাশৰ উদ্দেশ্যে গ্ৰহণ কৰা আৰোহণ কাৰ্যসূচীৰ ২০২৫-২৬ বৰ্ষৰ সংস্কৰণ আৰম্ভ হৈছে। এই আঁচনিৰ অধীনত শিক্ষামূলক ভ্ৰমণৰ বাবে নলবাৰী, মৰিগাঁও আৰু চিৰাং জিলাৰ ৩২৯ গৰাকী শিক্ষাৰ্থীৰ প্ৰথমটো বেটচ্ সাজু হৈছে। এইবছৰ এই আঁচনিৰ অধীনত এঘাৰটা বেটছত মুঠ ৪ হেজাৰ ২৮০ গৰাকী বিদ্যাৰ্থীয়ে শিক্ষামূলক ভ্ৰমণত অংশগ্ৰহণ কৰিব। ৰাজ্যৰ প্ৰতিখন জিলাৰ বিদ্যালয়সমূহত সম্ভাৱনাময় ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰাৰ বাবে বৃত্তিমূলক দিহা পৰামৰ্শ যোগান ধৰি শৈক্ষিক ভৱিষ্যত গঢ়াত এই আঁচনিয়ে সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ নিকাচ কমিটিৰ এটা ৭ জনীয়া দলে আজি ধেমাজি জিলা ভ্ৰমণ কৰি জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। বিধায়ক নুৰুল হুদাৰ নেতৃত্বৰ দলটোৱে কালিৰে পৰা অসমৰ ৪ খন জিলা ধেমাজি, লখিমপুৰ, বিশ্বনাথ আৰু শোণিতপুৰত এই পৰ্যালোচনাৰ কাৰ্যসূচী লৈছে। দলটোৱে আজি ধেমাজি উন্নয়ন খণ্ডত প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা, কৃষি উন্নয়ন আঁচনি, অট্টালিকা নিৰ্মাণ প্ৰকল্পকে ধৰি বিভিন্ন কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁলোকে এই উন্নয়নমূলক কাম-কাজসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। অহা ২ আগষ্টলৈকে দলটোৱে এই পৰ্যালোচনা কৰিব।

০০০০০

উগ্ৰপন্থীৰ গুলীত মৃত্যুবৰণ কৰা নিখিল বড়ো ছাত্ৰ সন্থা- এবছুৰ প্ৰাক্তন সভাপতি জৌহৌলাও স্বৌমল্লা বসুমতাৰীৰ ২৯ সংখ্যক মৃত্যু তিথি আজি সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে উদযাপন কৰা হয়। গয়বাৰীত থকা ছাত্ৰ নেতাজনৰ সমাধিস্থলীত এবছুৰ পতাকা অৰ্ধ উত্তোলন কৰি এবছুৰ সভাপতি দ্বীপেন বড়োৱে অনুষ্ঠানটো আৰম্ভ কৰে। প্ৰয়াত ছাত্ৰ নেতাজনৰ সহধৰ্মিনী ভানুমতি বসুমতাৰীয়ে ইয়াৰ পাছত সমাধিস্থলীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। সন্ত্ৰাসবাদ বিৰোধী দিৱস উপলক্ষে আমন্ত্ৰিত অতিথি আৰু সমবেত ব্যক্তিসকলে গণস্বাক্ষৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মানৱ শৃংখল গঠন কৰি শান্তিৰ প্ৰতীক বগা পাৰ চৰাই আৰু বগা বেলুন উৰুৱাই আজিৰ অনুষ্ঠানত সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ১৯৯৬ চনৰ আজিৰ দিনটোতে কোকৰাঝাৰ চহৰৰ নিকটৱৰ্তী হাতীমাথা গাঁৱত সশস্ত্ৰ উগ্ৰপন্থীয়ে এবছুৰ তদানীন্তন সভাপতিজনক

গুলীয়াই হত্যা কৰিছিল। ইয়াৰ পাছৰে পৰা এবছুৰে কেন্দ্ৰীয়ভাৱে আজিৰ দিনটো সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। আজিৰ অনুষ্ঠানত মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো আৰু বিধায়ক লৰেন্স ইছলাৰীসহ ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

ৰাজ্যত অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত আছে। এনে ব্যৱস্থাৰ অংশ হিচাপে আৰক্ষীয়ে আজি নিচেই পুৱা শ্ৰীভূমি জিলাত আন্তৰ্ৰাষ্ট্ৰীয় সীমান্তৰ সমীপত ৭ জন বাংলাদেশী নাগৰিকক আটক কৰে আৰু বাংলাদেশলৈ ঘূৰাই পঠিয়ায়।

ooooo

বাক্সা জিলাৰ জালাহত আজি ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জালাহ সংহত শিশু উন্নয়ন প্ৰকল্পৰ নতুন কাৰ্যালয়টো আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। উদ্বোধনী অনুষ্ঠানত বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, বিধায়ক ফণীধৰ তালুকদাৰকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিগত সময়ত উদ্বোধন কৰা চাৰিটাকৈ শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্যালয়ৰ বিষয়ে উল্লেখ কৰি শ্ৰীদাসে কয়, যে এই নতুন কাৰ্যালয়টোৰ অধীনত ৩০৮টাকৈ অংগনৱাড়ী কেন্দ্ৰ আছে। কাৰ্যালয়সমূহে এই কেন্দ্ৰসমূহৰ উন্নয়নমূলক আৰু প্ৰশাসনিক কাম-কাজ ত্বৰান্বিত কৰিছে।

ooooo

এলভিচ আলী হাজৰিকা ইংলিচ চেনেল দুবাৰকৈ সফলতাৰে সাতুৰি পাৰ হোৱা প্ৰথমগৰাকী অসমীয়াৰূপে পৰিগণিত হৈছে। হাজৰিকাই আজি ১৩ ঘণ্টাজোৰা সাতোৰৰ অন্তত এই কৃতীত্ব অৰ্জন কৰে। ইয়াৰ পূৰ্বে তেওঁ ২০২৩ চনৰ জুলাইত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী সাতোৰবিদৰূপে ইংলিচ চেনেল ইপাৰ সিপাৰ পাৰ কৰিছিল।

ooooo

১৩৪ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কাইলৈ কোকৰাঝাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত বড়োলেণ্ড এফ চি - কাৰ্বি আংলং মৰ্ণিং ষ্টাৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এই খেলখন বিয়লি চাৰি বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে এইবাৰ প্ৰথমবাৰৰ বাবে ডুৰাণ্ড ফুটবল প্ৰতিযোগিতাত অসমৰ দুটা ফুটবল ক্লাৱে খেলাৰ সুযোগ লাভ কৰিছে। ইপিনে, মণিপুৰৰ ইম্ফলত ট্ৰাউ এফ চি আৰু নেৰ'কা এফ চিৰ মাজত আজি অনুষ্ঠিত গ্ৰুপ খেলখন ১-১ গলত অমিমাংসিত হৈ ৰয়। খেলখনৰ দ্বিতীয়াৰ্ধত ৰাজে দিয়া গ'লেৰে ট্ৰাউ এফ চিয়ে অগ্ৰগতি লাভ কৰে। খেলৰ অন্তিমখনত অৰুণ জেকিয়ে দিয়া গ'লেৰে নেৰ'কা এফ চিয়ে খেলখনত সমতা স্থাপন কৰে।

ooooo

কাৰ্বি আংলং জিলাৰ ডিফুৰ ৰুকাচেনৰ বাসিন্দা, আছুৰ নেতা আৰু প্ৰাক্তন বিধায়ক মনছিং ৰংপিৰ আজি পুৱতি নিশা নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৬ বছৰ। অসম আন্দোলনৰ অন্যতম নেতা প্ৰয়াত ৰংপিয়ে ১৯৮৫ চনত বোকাজান সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। হাওঁফাওৰ কৰ্কটৰোগত মৃত্যু হোৱা কাৰ্বি নেতাগৰাকীৰ মৃত্যুত জিলাখনত শোকৰ ছাঁ পৰিছে।

ooooo

বৰপেটা ৰোডৰ ২ নম্বৰ ৰে'ল গে'টৰ শ্যামাপল্লীত আজি দুপৰীয়া সংঘটিত হোৱা এটা পথ দুৰ্ঘটনাত এজন ব্যক্তি থিতাতে নিহত হয়। আৰক্ষীৰ তথ্য অনুযায়ী AS-18A-0872 নম্বৰৰ এখন ট্ৰাকে মহতিয়াই

নিয়াৰ ফলত মৃত্যু হোৱা ব্যক্তিজন এতিয়ালৈকে চিনাক্ত কৰা হোৱা নাই। আমাৰ বৰপেটা সংবাদদাতাই জানিবলৈ দিয়া মতে মৃত ব্যক্তিজনৰ বয়স প্ৰায় ৬০ বছৰ বুলি আৰক্ষীয়ে ধাৰণা কৰিছে। মৰণোত্তৰ পৰীক্ষাৰ বাবে ব্যক্তিজনৰ মৃতদেহ বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। আনহাতে দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন জব্দ কৰা হৈছে যদিও পলায়ন কৰা চালকজনৰ এতিয়ালৈকে সন্তেদ উলিয়াব পৰা নাই।

ooooo

সমাপ্ত